# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI

0000000000

Date : 07-12-2025

**Time :** 1100 Hrs.

০০০০০০০০০০০

বিশিষ্ট সাহিত্যিক, সাংবাদিক হোমেন বৰগোহাঁঞিৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি কটন বিশ্ববিদ্যালয়ত কিছু সময় পাছতেই আয়োজিত এটা অনুষ্ঠানত ২০২৫ বৰ্ষৰ সাহিত্যিক পেঞ্চন আৰু বঁটা প্ৰদান কৰা হ'ব। এই অনুষ্ঠানত মন্ত্ৰী ডাঃ ৰণোজ পেগু মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। এইবাৰ মুঠ ১৮ গৰাকী সাহিত্যিকে সাহিত্য বঁটা লাভ কৰাৰ লগতে ১০ গৰাকী সাহিত্যিকলৈ সাহিত্যিক পেঞ্চন আগবঢ়োৱা হৈছে।

২০২৫ বৰ্ষৰ সাহিত্য বঁটা লাভ কৰা সকলৰ ভিতৰত ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী, ড০ সূৰ্যকান্ত হাজৰিকা, কিশোৰী মোহন দাস, অৰ্পণা কোঁৱৰ, আশুতোষ দাস, গুৰমাইল সিং, সুৱৰ্ণা শইকীয়াকে ধৰি আন কেইবাগৰাকী সাহিত্যিক আছে। এই বঁটা লাভ কৰি সাহিত্যিক অৰ্পণা কোঁৱৰে এইদৰে মনৰ ভাব প্ৰকাশ কৰে-

*-বাইট -*

সাহিত্যিকসকলক বঁটাৰ লগতে ৫০ হাজাৰকৈ টকা প্ৰদান কৰা হ'ব। ইপিনে, সাহিত্য পেঞ্চন লাভ কৰাসকলে প্ৰতিমাহে ৮ হাজাৰ টকাকৈ লাভ কৰিব।

০০০০০০

গুৱাহাটীত কাইলৈ হ'বলগীয়া প্ৰখ্যাত আমেৰিকান সংগীত শিল্পী পোষ্ট মেলনৰ সংগীতানুষ্ঠানৰ পৰিপ্ৰেক্ষিতত মহানগৰ আৰক্ষীয়ে যান-বাহন চলাচলৰ ক্ষেত্ৰত কেতবোৰ নীতি নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি ৰাষ্ট্ৰীয় ঘাইপথৰ কেইবাটাও স্থানত যান-বাহন ৰখোৱাত বাধা আৰোপ কৰাৰ লগতে বেলতলা, ছয়মাইল আৰু খানাপাৰাৰ আশে-পাশে যান-বাহন ৰখোৱাৰ বাবে আৰক্ষীয়ে সু-নিৰ্দিষ্ট ব্যৱস্থা গ্ৰহণ কৰিছে বুলি মহানগৰ আৰক্ষীয়ে কালি সংবাদমেলত উল্লেখ কৰে।

জনসাধাৰণৰ সুৰক্ষা আৰু মহানগৰীখনৰ যান-বাহন চলাচলৰ ক্ষেত্ৰত অসুবিধা হ্ৰাস কৰিবলৈ এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি মহানগৰ আৰক্ষীয়ে প্ৰকাশ কৰিছে।

০০০০০

ওদালগুৰি জিলাৰ চামৰাঙৰ ভাৰত-ভূটান সীমান্তত এটা নতুন ভূমি শুল্ক কেন্দ্ৰ স্থাপন কৰা হ'ব। ৰাজ্যৰ মুখ্য সচিব ৰবি কোটা আৰু গুৱাহাটীস্থিত ভূটানৰ বাণিজ্যিক দূতাবাসৰ মুৰব্বী জিগমে থিনলে নামগিয়ালে কালি এই সন্দৰ্ভত আলোচনা কৰে। শ্ৰী কোটাই কয়, যে বৈঠকত তেওঁলোকে ভূমি শুল্ক কেন্দ্ৰটো কাৰ্যকৰি তোলাৰ অন্তৰৰ্তী ব্যৱস্থাৰ বিষয়ে গুৰুত্ব আৰোপ কৰে। ইয়াৰ পূৰ্বে আমদানি আৰু ৰপ্তানি বৃদ্ধিৰ বাবে চামৰাঙক কাৰ্যক্ষম সীমাচকীলৈ ৰূপান্তৰ কৰাৰ বিভিন্ন ব্যৱস্থাৰ অন্বেষণ আৰু যুটীয়া ক্ষেত্ৰ নিৰীক্ষণৰ বাবে সংশ্লিষ্ট সকলো পক্ষৰ প্ৰতিনিধিকলৈ এখন কমিটি গঠন কৰা হৈছিল। সম্প্ৰতি অসম-ভূটান সীমান্তৰ বাক্সাৰ দৰংগা আৰু চিৰাঙৰ হাতীছাৰত দুটা ভূমি শুল্ক কেন্দ্ৰ আছে। ২০২৩-২৪ বৰ্ষত দৰংগা ভূমি সীমা শুল্ক কেন্দ্ৰৰে এহেজাৰ ৯৬

কোটি টকাৰ বাণিজ্য হৈছে আৰু হাতীছাৰ কেন্দ্ৰৰে এই সময়ছোৱাত ৮১১ কোটি টকাৰ আমাদানি-ৰপ্তানি হৈছে।

০০০০০

২০২৫ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৮০ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা শিক্ষাৰ্থীক কাইলৈ ড০ বাণীকান্ত কাকতি মেধা বঁটা আঁচনিৰ অধীনত স্কুটাৰ বিতৰণ কৰা হ'ব। এই বঁটা লাভ কৰা ১১ হাজাৰ ২৫০ গৰাকী শিক্ষাৰ্থীৰ ভিতৰত ৬ হাজাৰ ৮৬০ গৰাকী ছাত্ৰী আৰু ৪ হাজাৰ ৩৯০ গৰাকী ছাত্ৰ আছে। গুৱাহাটীৰ পাঞ্জাবাৰীস্থিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগু উপস্থিত থাকিব। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিৰ সুবিধা লাভ কৰা ছাত্ৰীয়ে এই বঁটা লাভ নকৰে।

০০০০০

আছাম ৰাইফলছে কালি মণিপুৰৰ থৌবাল জিলাত বেনাৰ্ছ অব্ ইউনিটী নামৰ এটা অত্যাধুনিক মহিলা সবলীকৰণ কেন্দ্ৰ গঞ্জোক হস্তান্তৰ কৰে। অপাৰেছন সদ্‌ভাৱনাৰ অংশ হিচাপে আছাম ৰাইফলছৰ উদ্যোগত এই কেন্দ্ৰটো নিৰ্মাণ কৰা হৈছে। এই উদ্যমৰ অধীনত সেৱাৰ পৰা বঞ্চিত বিভিন্ন সম্প্ৰদায়, ভগনীয়া পৰিয়ালৰ মহিলা আৰু তৃতীয় লিংগৰ লোকসকলৰ আৰ্থ সামাজিক পৰিৱৰ্তনৰ  পৰিকল্পনা কৰা হৈছে।

০০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ হাটশিঙিমাৰীত জিলা আৰু ছেছন ন্যায়াধীশৰ আদালতৰ ছটা পদৰ বাবে আজি লিখিত পৰীক্ষা অনুষ্ঠিত হৈছে। এই পৰীক্ষাত ৪১০ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হৈছে। কটকটীয়া নিৰাপত্তাৰ মাজত পুৱা চাৰে ৯ বজাৰ পৰা পৰীক্ষা অনুষ্ঠিত হৈছে।

০০০০০

লখিমপুৰ জিলাৰ অসম-অৰুণাচল সীমান্তৱৰ্তী দুলুং সংৰক্ষিত বনাঞ্চলৰ জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ লক্ষ্যৰে অহা ১১ ডিচেম্বৰৰ পৰা চাৰিদিনীয়াকৈ দুলুং সোৱণশিৰি মহোৎসৱ আৰম্ভ হ'ব। এই মহোৎসৱত দুষ্প্ৰাপ্য চিয়াঁ নাহৰ সংৰক্ষণৰ বাবে বিশেষ সজাগতাৰ সৃষ্টি কৰা হ'ব। ইতিমধ্যে এই মহোৎসৱৰ বাবে উদযাপন সমিতিয়ে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। মহোৎসৱ উপলক্ষে আলোকচিত্ৰ প্ৰদৰ্শন, হস্তশিল্পৰ বিপণী, দুঃসাহসিক ক্ৰীড়া আদি কাৰ্যসূচী থাকিব। এই অনুষ্ঠানত দুলুং সোৱণশিৰি নামৰ স্মৃতিগ্ৰন্থ প্ৰকাশ কৰা হ'ব।

০০০০০

অস্মিতা চলিহাই সৰুসজাইৰ ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ নবীন চন্দ্ৰ বৰদলৈ ইণ্ডোৰ ষ্টেডিয়ামত অনুষ্ঠিত য়নেক্স ছানৰাইজ গুৱাহাটী মাষ্টাৰ্ছ ছুপাৰ হান্ড্ৰেদ বেডমিণ্টন প্ৰতিযোগিতাত ব্ৰঞ্জৰ পদক লাভ কৰিছে। খেলুৱৈগৰাকী কালি মহিলা ছিংগলছৰ চেমিফাইনেলত ষষ্ঠ বাচনিপ্ৰাপ্ত চীনা টাইপেইৰ টং ছিউ টঙৰ হাতত পৰাজিত হৈ ব্ৰঞ্জৰ পদকত সন্তুষ্ট থাকিবলগীয়া হয়।

০০০০০

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশ মৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি ৫ মিনিটত শ্ৰীভূমি জিলাত ৰূপায়িত বিভিন্ন উন্নয়নমূলক আঁচনি সন্দৰ্ভত জিলা কৃষি বিষয়া

অৰূপানন দত্তৰ  সৈতে এটি সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিছে আমাৰ শ্ৰীভূমিৰ সংবাদদাতা জাকাৰিয়া ৰহমানে। অনুষ্ঠানটি নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব।

0000000

**সমাপ্ত**